**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-04-2025
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

১। ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই এই সপ্তাহত দ্বিপাক্ষিক বাণিজ্য চুক্তি সম্পৰ্কে আলোচনা কৰিব।

২। ভাৰতসহ জি ফোৰ ৰাষ্ট্ৰসমূহে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত ধৰ্মৰ ভিত্তিত আসন আৱণ্টনৰ প্ৰস্তাৱৰ বিৰোধিতা কৰিছে।

৩। অসমবাসীয়ে ৰঙালী বিহুৰ তৃতীয় দিনটো আজি পৰম্পৰাগতভাৱে গোসাঁই বিহু হিচাপে পালন কৰিছে।

৪। চত্তিশগড়ৰ বাষ্টাৰ অঞ্চলত সুৰক্ষা বাহিনীৰ সৈতে হোৱা এটা সংঘৰ্ষত দুজন মাওবাদী নিহত হৈছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি নতুন দিল্লীত হবলগীয়া এখন খেলত ডেলহি কেপিটেলছ, ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooo

ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই এই সপ্তাহত দ্বিপাক্ষিক বাণিজ্য চুক্তি সম্পৰ্কে আলোচনা কৰিব। দুয়োখন দেশে দ্বিপাক্ষিক বাণিজ্যিক চুক্তিৰ প্ৰথম অংশৰ প্ৰসংগ চৰ্তত কালি হস্তাক্ষৰ কৰে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বাণিজ্য আৰু উদ্যোগ সচিব সুনিল বৰ্থৱালে কয় যে দুয়োপক্ষই পৰস্পৰৰ বাবে লাভদায়ক, বিভিন্ন ক্ষেত্ৰত দ্বিপাক্ষিক চুক্তিৰ পৰৱৰ্তী পদক্ষেপ সন্দৰ্ভত বহুল ভিত্তিত সহমতত উপনীত হৈছে। তেওঁ কয় যে আমেৰিকা যুক্তৰাষ্ট্ৰই আৰোপ কৰা প্ৰতিশুল্কৰ পৰিপ্ৰেক্ষিতত ভাৰতৰ বাবে উদ্বেগ আৰু সুযোগৰ সৃষ্টি হৈছে। তেওঁ কয়, যে ভাৰতে আমেৰিকাৰ সৈতে ব্যৱসায়িক উদাৰিকৰণৰ পথ গ্ৰহণ কৰিছে। এই পথে দুয়োখন ৰাষ্ট্ৰৰ বাবে অপাৰ সুযোগ সৃষ্টি কৰিব বুলি তেওঁ উল্লেখ কৰে। শ্ৰীবৰ্থৱালে কয় যে আমেৰিকাৰ সৈতে ভাৰতৰ ব্যৱসায়ৰ পৰিমাণ পৰৱৰ্তী পাঁচ বছৰত ৫০ হাজাৰ কোটি ডলাৰলৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

oooo

ভাৰত আৰু ব্ৰাজিল, জাৰ্মানী আৰু জাপানসহ অন্য জি ফোৰ ৰাষ্ট্ৰসমূহে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ ধৰ্মৰ ভিত্তিত আসন আৱণ্টনৰ প্ৰস্তাৱৰ বিৰোধিতা কৰিছে। ৰাষ্ট্ৰসংঘত ভাৰতৰ স্থায়ী প্ৰতিনিধি পাৰ্বথানেনি হৰিশে কৈছে, যে নিৰাপত্তা পৰিষদৰ সংস্কাৰ সাধনৰ বাবে ধৰ্মীয় স্বীকৃতিৰ দৰে নতুন মানৰ প্ৰচলনৰ প্ৰস্তাৱ ৰাষ্ট্ৰসংঘৰ প্ৰচলিত প্ৰথাৰ পৰিপন্থী। নিউয়ৰ্কস্থিত ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়ত আন্তঃচৰকাৰী আলোচনা সম্পৰ্কীয় এখন বৈঠকত ভাষণ দি তেওঁ এইদৰে প্ৰকাশ কৰে। ৰাষ্ট্ৰসংঘত ভাৰতৰ স্থায়ী প্ৰতিনিধি গৰাকীয়ে কয় যে প্ৰচলিত নিয়ম অনুসৰি পৰিষদৰ সদস্য পদ লাভৰ বাবে ধৰ্ম নহয় বৰং আঞ্চলিক প্ৰতিনিধিত্বহে মূল আধাৰ।

তুৰস্কৰ ৰাষ্ট্ৰপতি ৰেশপ তৈয়্যপ এৰডোগানে অলপতে এখন ইছলামীয় দেশ পৰিষদৰ স্থায়ী সদস্য হোৱা উচিত বুলি মন্তব্য কৰিছিল আৰু ইছলামীয় সহযোগিতা সংস্থাৰ সদস্য ৰাষ্ট্ৰসমূহে এই মন্তব্যৰ প্ৰতি সমৰ্থন আগবঢ়াইছিল।

oooo

সাদিনীয়া ব'হাগ বিহুৰ আজি গোসাঁই বিহু। ৰঙালী বিহুৰ তৃতীয় দিনটো অসমবাসীয়ে আজি পৰম্পৰাগতভাৱে গোসাঁই বিহু হিচাপে পালন কৰে। পুৱাৰে পৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ, নামঘৰ, মন্দিৰ, দেৱালয়কে ধৰি ধৰ্মীয় অনুষ্ঠানসমূহত জনসাধাৰণে ভিৰ কৰিছে। বিভিন্ন সত্ৰ-নামঘৰত আজি নাম-প্ৰসংগ, মন্দিৰসমূহত পূজা-অৰ্চনাকে ধৰি ভালেমান কাৰ্যসূচী লোৱা হৈছে। বছৰটোৰ বাবে নিজৰ লগতে আপোনজনৰ মংগল কামনাৰে ৰাইজে আজি নেদেখাজনৰ ওচৰত আশীষ লৈছে। ৰাজ্যজুৰি বহাগ বিহুৰ আনন্দ উছাহ অব্যাহত আছে। উজনিৰ পৰা নামনিলৈ গাঁৱে ভূঞে, চহৰে নগৰে ঢোল, পেপাৰ শব্দ আৰু নাচনীৰ নাচোনৰ চেৰত উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন

প্ৰান্তত মঞ্চ বিহু কাৰ্যসূচী অনুষ্ঠিত হৈছে। ভৰলুমুখ, চানমাৰি, গণেশগুৰি, নুনমাটি, বেলতলাকে ধৰি বিভিন্ন ঠাইত মঞ্চবিহুৰ আকৰ্ষণীয় অনুষ্ঠান উপভোগ কৰিবলৈ অগণন লোকে ভিৰ কৰিছে। বিহুৰ সৈতে সংগতি ৰাখি ঠায়ে ঠায়ে বিহু নাচ গান, হুঁচৰি, জেং বিহু ঢোল বাদন আৰু অন্যান্য সাংস্কৃতিক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

০০০০

নিৰ্বাচন আয়োগে বিহাৰ বিধানসভাৰ আসন্ন নিৰ্বাচনৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছে। ইয়াৰ অংশ হিচাপে আজিৰে পৰা ৰাজ্যখনৰ বুথ পৰ্যায়ৰ অভিকৰ্তা-বি এল এ সকলৰ দুদিনীয়া প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। বিহাৰৰ বিভিন্ন ৰাজনৈতিক দলৰ আঢ়ৈশৰো অধিক বি এল এই নতুন দিল্লীত আয়োজন কৰা এই প্ৰশিক্ষণ কাৰ্যসূচীত ভাগ লৈছে। এইবাৰ প্ৰথমবাৰৰ বাবে আয়োগে ৰাষ্ট্ৰিয় পৰ্যায়ত বি এল এ সকলৰ বাবে এনে প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰিছে। ২৪৩ জনীয়া বিহাৰ বিধানসভাৰ বাবে এইবছৰৰ শেষ ভাগলৈ নিৰ্বাচন অনুষ্ঠিত হোৱাৰ কথা।

০০০০

লিবিয়াৰ পূৱ উপকুলভাগৰ সমীপত এখন নাও ডুব যোৱাৰ ফলত কমেও ১১ জন লোকে প্ৰাণ হেৰুৱাইছে। লিবিয়াৰ পূৱ প্ৰান্তৰ চিৰতে চহৰৰ সমীপত হাৰোৱা উপকূলৰ ওচৰত এই নাও দুৰ্ঘটনা সংঘটিত হোৱা বুলি জানিব পৰা গৈছে। উদ্ধাৰকাৰী দলে বৰ্তমানলৈকে সাগৰৰ জলৰাশিৰ পৰা এঘাৰটা শৱ উদ্ধাৰ কৰিছে। অবৈধভাৱে নাৱেৰে ইউৰোপীয় দেশসমূহত প্ৰৱেশৰ বাবে চলোৱা প্ৰয়াসৰ সময়ত হোৱা দুৰ্ঘটনাৰ এইটো শেহতীয়া ঘটনা। অবৈধ প্ৰব্ৰজনকাৰীসকলে ইউৰোপত প্ৰৱেশ কৰাৰ বাবে মানৱ সৰবৰাহকাৰীসকলক বুজন পৰিমাণৰ ধন আদায় দিয়ে আৰু সৰবৰাহকাৰীসকলে ইউৰোপলৈ প্ৰেৰণ কৰাৰ বাবে অবৈধ পন্থা অৱলম্বন কৰে।

০০০০

চত্তিশগড়ৰ বাষ্টাৰ অঞ্চলত সুৰক্ষা বাহিনীৰ সৈতে হোৱা এটা সংঘৰ্ষত দুজন মাওবাদী নিহত হৈছে। এই মাওবাদী দুজনৰ সন্ধেদ দিব পৰা ব্যক্তিক মুঠ ১৩ লাখ টকাৰে পুৰস্কৃত কৰা হব বুলি ইতিপূৰ্বে ঘোষণা কৰা হৈছিল। বাষ্টাৰ সংমণ্ডলৰ আৰক্ষী মহা পৰিদৰ্শক সুন্দৰ ৰাজে কৈছে যে কোণ্ডাগাওঁ আৰু নাৰায়ণপুৰ জিলাৰ সীমান্তত অৱস্থিত কিলম-বৰগুম গাওঁৰ বনাঞ্চলত কালি নিশা জিলা সংৰক্ষিত বাহিনীৰ এটা দলে চলোৱা অভিযানৰ সময়ত সূত্ৰপাত হোৱা সংঘৰ্ষত এই মাওবাদী দুজন নিহত হয়। সংঘৰ্ষস্থলীৰ পৰা মাওবাদী দুটা মৃতদেহ, এটা AK-47 ৰাইফল, বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ আৰু গুলি বাৰুদ উদ্ধাৰ কৰা হৈছে। অঞ্চলটোত তালাচী অভিযান অব্যাহত আছে।

০০০০

নেচনেল হেৰল্ড গোচৰত জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধী আৰু ছোনীয়া গান্ধীৰ বিৰুদ্ধে বিধি বলবৎকাৰী সঞ্চালকালয়ে অভিযোগনামা দাখিল কৰাৰ বিৰুদ্ধে কংগ্ৰেছে আজি দেশজুৰি বিক্ষোভ প্ৰদৰ্শন কৰিছে। দলটোৰ নেতাসকলে এই কাৰ্যক উদ্দেশ্যপ্ৰণোদিত আৰু ৰাজনৈতিক আক্ৰোশ পূৰণৰ প্ৰয়াস বুলি অভিযোগ কৰিছে। গুৱাহাটীতো আজি কংগ্ৰেছ দলৰ নেতা আৰু কৰ্মীসকলে নেচনেল হেৰল্ড গোচৰত দলটোৰ শীৰ্ষ দুগৰাকী নেতাৰ বিৰুদ্ধে ই-ডিৰ অভিযোগনামা দাখিলৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰাৰ চেষ্টা চলায়।

আনহাতে, বিজেপিৰ জ্যেষ্ঠ নেতা ৰবিশংকৰ প্ৰসাদে নেচনেল হেৰল্ড গোচৰৰ বিৰুদ্ধে বিধি বলবৎকাৰী সঞ্চালকালয়ে আইনীভাৱে আগবাঢ়ি যোৱা প্ৰক্ৰিয়াত কংগ্ৰেছে প্ৰতিবাদৰ জৰিয়তে বাধা আৰোপ কৰিবলৈ চেষ্টা কৰিছে বুলি অভিযোগ কৰিছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত তেওঁ কয় যে কংগ্ৰেছে তেওঁলোকৰ শাসনকালত বিষয়াসকলৰ ঋণ ৰেহাই দিছিল। ইয়ং ইণ্ডিয়া সংস্থাৰ গইনা লৈ কংগ্ৰেছে অবৈধভাৱে ভূমি দখল কৰিছিল বুলিও শ্ৰীপ্ৰসাদে অভিযোগ তোলে।

০০০০

মাৰ্কিন ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে চীনকে ধৰি বিশ্বৰ কেইবাখনো দেশৰ বিৰুদ্ধে আৰোপ কৰা উচ্চ হাৰৰ প্ৰতিশুল্ক সন্দৰ্ভত চীন চৰকাৰে মাৰ্কিন কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰাৰ বাবে আন্তৰ্জাতিক বাণিজ্য বিষয়ক এগৰাকী মধ্যস্থতাকাৰীক নিযুক্ত কৰিছে। লিচেংগাং নামৰ এই মধ্যস্থতাকাৰীগৰাকীক ২০২০ চনত চীন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত সম্পাদিত

বাণিজ্য চুক্তি মধ্যস্থতাকাৰী ৱাং ছো ৰেনৰ স্থানত নিযুক্ত কৰা হৈছে। উল্লেখযোগ্য যে আমেৰিকা যুক্তৰাষ্ট্ৰই চীনৰ বিৰুদ্ধে ১৪৫ শতাংশ হাৰৰ ৰপ্তানি শুল্ক আৰোপ কৰিছে। তদুপৰি ৰাষ্ট্ৰপতি ট্ৰাম্পে আন দেশসমূহৰ বিৰুদ্ধে আৰোপ কৰা প্ৰতিশুল্কৰ কাৰ্যকৰীকৰণ ৯০ দিনলৈ স্থগিত ৰাখিছে যদিও চীনৰ ক্ষেত্ৰত ইয়াক তৎকালে কাৰ্যকৰী কৰাৰ কথা ঘোষণা কৰিছে। চীনে এইবছৰৰ জানুৱাৰী আৰু মাৰ্চ মাহৰ ভিতৰত ইয়াৰ অৰ্থনীতি বিকাশৰ হাৰ ৫ দশমিক ৪ শতাংশ বৃদ্ধি পোৱাৰ কথা ঘোষণা কৰিছিল আৰু অতি শীঘ্ৰে দেশখন বিশ্বৰ দ্বিতীয় বৃহৎ অৰ্থনীতিত পৰিণত হ'ব বুলি ঘোষণা কৰিছিল। মাৰ্কিন ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ সাম্প্ৰতিক প্ৰতিশুল্ক আৰোপৰ ঘোষণাই স্বাভাৱিকতেই চীনৰ অৰ্থনীতিত বিৰূপ প্ৰভাৱ পেলোৱাটো নিশ্চিত হৈ পৰিছে।

০০০০

দিল্লীৰ ইন্দিৰা গান্ধী আন্তৰাষ্ট্ৰীয় বিমান বন্দৰে ২০২৪ বৰ্ষৰ বিশ্বৰ সবাতকৈ ব্যস্ত বিমান বন্দৰসমূহৰ ভিতৰত নৱম স্থান লাভ কৰিছে। বিমান বন্দৰটোৰে আহ যাহ কৰা যাত্ৰীৰ সংখ্যা ২০২৩ বৰ্ষৰ তুলনাত ৭ দশমিক ৮ শতাংশ আৰু ২০১৯ চনৰ তুলনাত ১৩ দশমিক ৬ শতাংশ বৃদ্ধি পাইছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ হৰ্টছফিল্ড জেকচন আটলান্তা আন্তৰাষ্ট্ৰীয় বিমান বন্দৰে এই তালিকাত শীৰ্ষস্থান লাভ কৰিছে।

০০০০

ভাৰতৰ সৰ্ববৃহৎ ইণ্টাৰনেট ক্ৰয় বিক্ৰয় স্থান চৰকাৰী ই-মাৰ্কেটপ্লেছ চমুকৈ-জেম এ ২০২৪-২৫ বিত্তীয় বৰ্ষত স্বাস্থ্য, জীৱন, আৰু ব্যক্তিগত দুৰ্ঘটনাৰ ক্ষেত্ৰত ১ লাখ ৩০ হাজাৰ কোটিতকৈও বেছি বীমাক সামৰি লৈছে। এটা বিবৃতিত বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ৰ তথ্যই জনাইছে যে একেটা বিত্তীয় বৰ্ষতে প্ৰতিষ্ঠানটোৰে ১০ লাখ মানুহ নিয়োগ কৰিছে। এই সাফল্যৰ বিষয়ে প্ৰকাশ কৰি জেমৰ মুখ্য কাৰ্যবাহী অজয় ভাদুৰে কয়, যে এই প্ৰতিষ্ঠানে জনসাধাৰণক সুৰক্ষিত আৰু বহনসাধ্য সমাধান দিবলৈ প্ৰতিশ্ৰুতিবদ্ধ।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি নতুন দিল্লীত হবলগীয়া এখন খেলত ডেলহি কেপিটেলছ, ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত কালি পঞ্জাব কিংছে কলকাতা নাইট ৰাইডাৰ্ছক ১৬ ৰাণত পৰাস্ত কৰে। খেলখনত কলকাতাই ১১২ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৫ অভাৰ আৰু এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ৯৫ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে পাঞ্জাবে প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ১৫ অভাৰ ৩টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১১১ ৰাণ কৰিবলৈ সমৰ্থ হয়।

০০০০

সমাপ্ত